# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 27-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***<u>Headlines</u>***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভূৱনেশ্বৰৰ জনতা ময়দানত **উৎকৰ্ষ ওড়িশা-মেক ইন ইণ্ডিয়া** সন্মিলন উদ্বোধন কৰিব।

২। নতুন দিল্লীত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে আজি ৱেভছ্ বাজাৰ, ৱাহ ওস্তাদ চেলেঞ্জ আৰু ৱেভছ বঁটা মুকলি কৰে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ উত্তৰাখণ্ডৰ ডেৰাডুনত কাইলৈ ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

৪। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেলে আজি ওমানৰ মাস্কাত ভ্ৰমণৰ প্ৰথম দিনা দেশখনৰ বাণিজ্য, উদ্যোগ আৰু বিনিয়োগ প্ৰসাৰ মন্ত্ৰী কাইশ বিন মহম্মদ অল য়ুছেফৰ সৈতে বৈঠকত মিলিত হয়।
***আৰু***

৫। ভাৰতৰ য়ুকী ভাম্ব্ৰী আৰু তেওঁৰ ক্ৰৱেছিয়ান সংগী ইভান দদিগে আজি অপেন অষ্ট্ৰেলিয়ান টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভূৱনেশ্বৰৰ জনতা ময়দানত **উৎকৰ্ষ ওড়িশা-মেক ইন ইণ্ডিয়া** সন্মিলন উদ্বোধন কৰিব। দুদিনীয়াকৈ হ'বলগীয়া এই সন্মিলনত ২০ খন বিদেশী ৰাষ্ট্ৰৰ ৭ হাজাৰ ৫শৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। এই সন্মিলনখনত শক্তিশালী অৰ্থনীতিৰ ভেটি স্থাপন হোৱাৰ লগতে ই কৃষক আৰু শ্ৰমিকৰ বাবে বৃহৎ সুযোগৰ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। সন্মিলনত এশৰো অধিক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হ'ব আৰু এই চুক্তিসমূহৰ জৰিয়তে ৩ লাখ ৫০ হাজাৰ লোকৰ কৰ্মসংস্থাপনৰ বাট মুকলি হোৱাৰ সম্ভাৱনা আছে।

০০০০

নতুন দিল্লীত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে আজি ৱেভছ্ বাজাৰ, ৱাহ ওস্তাদ চেলেঞ্জ আৰু ৱেভছ বঁটা মুকলি কৰে। অনুষ্ঠানত বৈষ্ণৱে কয়, যে ভাৰতে নিজৰ ঐতিহ্য, চহকী সংস্কৃতি আৰু গল্প কথনৰ কৌশলৰ বাবে বিশ্বত বিশেষ গুৰুত্ব অৰ্জন কৰিছে। আমাৰ দেশ অতি সোনকালেই সৃষ্টিশীল অৰ্থনীতিৰ প্ৰাণকেন্দ্ৰ হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে কয়, যে ভাৰত গল্পকথকৰ দেশ আৰু আজি মুকলি কৰা পদক্ষেপসমূহৰ জৰিয়তে দেশে নিজৰ শক্তিক বিশ্বৰ আন আন অংশলৈ কঢ়িয়াই লৈ যাব। যোগ আৰু আয়ুৰ্বেদ শাস্ত্ৰকে ধৰি ভাৰতৰ সংস্কৃতি আৰু ঐতিহ্যৰ কেইবাটাও অভিন্ন অংগক এতিয়া সমগ্ৰ বিশ্বতে স্বীকৃতি দিয়া হৈছে বুলিও শ্বেখাৱাটে উল্লেখ কৰে। দেশে অৰ্থনীতি, প্ৰযুক্তি আৰু

প্ৰতিৰক্ষাৰ ক্ষেত্ৰতো উল্লেখনীয় অগ্ৰগতি লাভ কৰা বুলিও তেওঁ লগতে মন্তব্য কৰে। তথ্য আৰু সম্প্ৰচাৰ সচিব সঞ্জয় জাজুৱে ৱেভছ্ বজাৰখনক পৰিৱৰ্তনশীল পদক্ষেপ বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে, ৰাহ্ ওস্তাদ হৈছে শাস্ত্ৰীয় আৰু লঘু শাস্ত্ৰীয় সংগীতৰ এটা অনন্য প্ৰতিভা সন্ধানী ব্যৱস্থা। অহা ১৫ ফেব্ৰুৱাৰীৰ পৰা ৱেভছ্ বঁটাৰ বাবে মনোনয়ন প্ৰক্ৰিয়া আৰম্ভ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ উত্তৰাখণ্ডৰ ডেৰাডুনত কাইলৈ ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। ডেৰাডুনৰ মহাৰাণা প্ৰতাপ ষ্টেডিয়ামত হ'বলগীয়া বৰ্ণাঢ্য উদ্বোধনী অনুষ্ঠানত শ্ৰীমোদীৰ লগতে কমনৱেল্থ গেমছ ফেডাৰেচনৰ সভাপতি ক্ৰিছ্ জেনকিনছ, উত্তৰাখণ্ডৰ ৰাজ্যপাল গুৰমিত সিং, মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামী, ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি পিটি ঊষাসহ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। অসম অলিম্পিক সন্থাৰ হৈ সম্পাদক লক্ষ্য কোঁৱৰে উদ্বোধনী অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে ভাগ ল'ব। এইবাৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত মুঠ ৩৭ খন ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল আৰু বিভাগীয় দলৰ ১০ হাজাৰতকৈও অধিক খেলুৱৈ তথা বিষয়ববীয়াই অংশগ্ৰহণ কৰিব। এই ক্ৰীড়া সমাৰোহৰ শুভ উদ্বোধনী কাইলৈ হ'ব যদিও ইতিমধ্যে কিছুসংখ্যক খেল কালিৰে পৰা আৰম্ভ হৈছে।

কাইলৈৰ উদ্বোধনী অনুষ্ঠানত ৰাজ্যৰ দুই তাৰকা আন্তৰ্জাতিক ক্ৰীড়াবিদ মহিলা শ্বাটলাৰ অস্মিতা চলিহা আৰু পুৰুষ উশ্বু খেলুৱৈ চানমা ব্ৰহ্মাই অসম দলৰ ধ্বজা বহন কৰিব। উদ্বোধনী অনুষ্ঠানত প্ৰতিটো দলৰ ২৫ গৰাকীকৈ খেলুৱৈ তথা বিষয়ববীয়াক অংশগ্ৰহণৰ সুযোগ দিয়া হৈছে। ইপিনে, গুৱাহাটীৰ পৰা যোৱা অসম অলিম্পিক সন্থাৰ প্ৰতিনিধি দলটোৱে নতুন দিল্লীত কালি সন্থাৰ সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰে। এইবাৰ ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমে মুঠ ২২ বিধ খেলত অংশ লব।

০০০০

আম আদমী পাৰ্টীৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালে আজি নতুন দিল্লীত দলীয় নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে। দিল্লী বিধানসভা নিৰ্বাচনৰ পূৰ্বে অঞ্চলটোৰ জনসাধাৰণৰ বাবে এই ইস্তাহাৰত ১৫টা গেৰাণ্টিৰ বিষয়ে ঘোষণা কৰা হৈছে। নতুন দিল্লীত আজি সংবাদমেল সম্বোধন কৰি শ্ৰী কেজৰিৱালে তেওঁৰ দল ক্ষমতালৈ আহিলে অহা ৫ বছৰৰ ভিতৰত এই ১৫টা প্ৰতিশ্ৰুতি পূৰণ কৰা হ'ব বুলি প্ৰকাশ কৰে। তেওঁ এই ১৫টা গেৰাণ্টিৰ ভিতৰত নিয়োগৰ সুবিধা, চিকিৎসা সেৱাৰ বাবে সঞ্জীৱনী আঁচনি, প্ৰতিমাহে মহিলাসকলৰ বাবে ২১০০ টকাৰ আৰ্থিক সাহায্য আৰু পানীৰ বকেয়া ধন মাফকে ধৰি বিভিন্ন প্ৰতিশ্ৰুতি আছে বুলি জানিবলৈ দিয়ে। শ্ৰী কেজৰিৱালে বিজেপি আৰু কংগ্ৰেছে দিল্লীৰ জনসাধাৰণক ভুৱা প্ৰতিশ্ৰুতি দিয়া বুলি অভিযোগ তোলে।

ইপিনে, বিজেপিয়ে আম আদমী পাৰ্টীক দলিত বিৰোধী বুলি অভিহিত কৰিছে। জ্যেষ্ঠ বিজেপি নেতা সম্বিত পাত্ৰই আজি এখন সংবাদ মেলত এই বিষয়ে অভিযোগ তুলি কয়, যে পঞ্জাৱৰ অমৃতচৰত ড০ ভীমৰাও আম্বেদকাৰৰ প্ৰতিমুৰ্তি ভাঙি পেলোৱা হৈছে। এই ঘটনাক অতিশয় লজ্জাজনক বুলি অভিহিত কৰি শ্ৰীপাত্ৰই এনেধৰণৰ ঘটনাই পঞ্জাৱৰ বৰ্তমানৰ আইন শৃংখলাৰ প্ৰকৃত স্বৰূপকে উদঙাই দিয়া বুলি মন্তব্য কৰে। ইপিনে, আম আদমী পাৰ্টীৰ নিৰ্বাচনী ইস্তাহাৰৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কংগ্ৰেছৰ মুখপাত্ৰ আছমাই কয়, যে পূৰ্বৰ প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰিবলৈ সমৰ্থ নোহোৱা বাবে জনসাধাৰণে ইতিমধ্যে আম আদমী পাৰ্টীক নাকচ কৰিছে।

০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেলে আজি ওমানৰ মাস্কাত ভ্ৰমণৰ প্ৰথম দিনা দেশখনৰ বাণিজ্য, উদ্যোগ আৰু বিনিয়োগ প্ৰসাৰ মন্ত্ৰী কাইশ বিন মহম্মদ অল য়ুছেফৰ সৈতে বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে শ্ৰীগোৱেলে বৈঠকত অৰ্থনৈতিক অংশীদাৰিত্ব বৃদ্ধি, বাণিজ্য আৰু বিনিয়োগৰ সম্পৰ্ক সুদৃঢ়কৰণ আৰু দ্বিপাক্ষিক অংশীদাৰিত্ব বৃদ্ধিৰ ক্ষেত্ৰত আলোচনা কৰা হয় বুলি জানিবলৈ দিয়ে। দুদিনীয়া কাৰ্যসূচীৰে মাস্কাতলৈ যোৱা মন্ত্ৰীগৰাকীয়ে কাইলৈ একাদশ যুটীয়া আয়োগৰ বৈঠকত অংশগ্ৰহণ কৰিব।

০০০০

দেশৰ ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ অংশ হিচাপে নতুন দিল্লীৰ লালকিল্লাত আজি **ভাৰত পৰ্ব্** অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠান অহা ৩১ জানুৱাৰী পৰ্যন্ত জনসাধাৰণৰ বাবে মুকলি থাকিব। এই অনুষ্ঠানত ভাগ লোৱা দৰ্শক-শ্ৰোতাসকলে গণৰাজ্য দিৱসৰ কুচকাৱাজত অংশগ্ৰহণ কৰা সশস্ত্ৰ বাহিনীৰ বেণ্ড, ভিন ভিন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ সাংস্কৃতিক দলসমূহৰ প্ৰদৰ্শন, ভিন ভিন প্ৰতীকপট আদিকে ধৰি বিভিন্ন অনুষ্ঠানৰ অংশ বিশেষ দেখিবলৈ পাব। দেশৰ ভিন ভিন অংশৰ সাংস্কৃতিক ঐতিহ্যৰ মাজৰ গভীৰ সম্পৰ্কক প্ৰতিফলিত কৰা এই বেলিৰ **ভাৰত পৰ্ব্** অনুষ্ঠানৰ মূল বাণী হ'ব **দেখো অপনা দেশ**।

০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ জয়শংকৰে আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত তেওঁ দেশখনৰ বিভিন্ন নেতাক সাক্ষাৎ কৰি দুয়োখন দেশৰ মাজৰ ঘনিষ্ঠ সম্পৰ্কৰ পৰ্যালোচনা কৰিব। উভয়পক্ষৰ মাজৰ আলোচনাই এই দ্বিপাক্ষিক সম্পৰ্কক অধিক শক্তিশালী কৰি তোলাৰ পথ প্ৰশস্ত কৰিব পাৰিব বুলি আশা কৰা হৈছে।

বৈদেশিক মন্ত্ৰালয়ৰ পৰা প্ৰকাশ কৰা এটা বিবৃতিত লগতে কোৱা হৈছে যে, বিদেশ মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ সংহত কৌশলী সহযোগিতাক অধিক আগবঢ়াই নিব আৰু পাৰস্পৰিক সম্পৰ্কক নতুন গতি প্ৰদান কৰিব।

০০০০

লাওচত থকা ভাৰতীয় দূতাবাসে গোল্ডেন ট্ৰাইংগল স্পেচিয়েল ইকনমিক জ'নত থকা কেইবাটাও চাইবাৰ স্কেম কেন্দ্ৰৰ পৰা ৭৬ গৰাকী ভাৰতীয় যুৱক-যুৱতীক উদ্ধাৰ কৰিছে। দূতাবাসে এটা বিবৃতিযোগে এই যুৱক-যুৱতীসকলক আপৰাধিক চিণ্ডিকেটসমূহে ভয়-ভাবুকি আৰু প্ৰলোভনেৰে বিভিন্ন চাইবাৰ অপৰাধৰ সৈতে সংযুক্ত কৰিছিল বুলি প্ৰকাশ কৰিছে। তেওঁলোকৰ মাজৰে কিছুসংখ্যক যুৱক-যুৱতীয়ে সহায় বিচাৰি কৰা অনুৰোধত তাৎক্ষণিকভাৱে সঁহাৰি জনাই দূতাবাসৰ বিষয়াসকলে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে যত্নপৰ হয়। দূতাবাসৰ এটা দলে গোল্ডেন ট্ৰাইংগল স্পেচিয়েল ইকনমিক জ'নত উপস্থিত হৈ সংশ্লিষ্ট লাওচ প্ৰশাসনৰ বিষয়ববীয়াৰ সহযোগত প্ৰয়োজনীয় প্ৰপত্ৰসমূহৰ কাম সম্পাদন কৰি যুৱক-যুৱতীসকলক তাৰ পৰা ভিয়েনটিয়েনত থকা দূতাবাসলৈ স্থানান্তৰিত কৰাৰ ব্যৱস্থা কৰে। লাওচত থকা ভাৰতৰ ৰাষ্ট্ৰদূত প্ৰশান্ত অগ্ৰৱালে তেওঁলোকৰ সৈতে মিলিত হৈ তেওঁলোকৰ সুৰক্ষা সুনিশ্চিত কৰে।

০০০০

ভাৰতৰ যুকী ভাম্ব্ৰী আৰু তেওঁৰ ক্ৰৱেছিয়ান সংগী ইভান দদিগে আজি অপেন অক্সিতানি টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত জাৰ্মানীৰ যুটী মাৰ্ক ৱালনাৰ আৰু জেকব স্নেতৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা আঠ বাজি ৪০ মিনিটত আৰম্ভ হ'ব। আন এখন প্ৰি কোৱাৰ্টাৰ ফাইনেলত কাইলৈ বিজয় সুন্দৰ প্ৰশান্ত আৰু জীৱন নেদুন চেজ্জিয়ানৰ ভাৰতীয় যুটীটো ফ্ৰান্সৰ জোনাথন আইজেৰিক আৰু ইটালীৰ ফ্লেভিঅ' কবলিৰ যুটীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

ভাৰতৰ দ্ৰুতবেগী তাৰকা বলাৰ যশপ্ৰীত বুমৰাৰ্লৈ ২০২৪ বৰ্ষৰ বাবে আন্তৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ বৰ্ষশ্ৰেষ্ঠ পুৰুষ টেষ্ট ক্ৰিকেটাৰ বঁটা আগবঢ়োৱা হৈছে। যোৱাটো বৰ্ষত বুমৰাই ১৩ খন টেষ্ট ক্ৰিকেট খেলত অংশগ্ৰহণ কৰি ৩৫৭ অভাৰ বলিং কৰি ১৪ দশমিক ৯ - ২ গড়েৰে ৭১ টা উইকেট দখল কৰে। তেওঁৰ এই অনবদ্য প্ৰদৰ্শনৰ বাবে তেওঁলৈ এই বঁটা আগবঢ়োৱা হৈছে।

০০০০

সমাপ্ত